**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু জনসাধাৰণক মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **মাজুলীৰ** ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭ টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হব।

০০০০০০

প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হৈছে। অসমতো আজি ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হৈছে। দিব্যাংগ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিব্যাংগসকললৈ শুভেচ্ছা জনাই কয়, যে এখন সুস্থ সবল আৰু নিকা সমাজ গঢ়িবলৈ প্ৰতিগৰাকী ব্যক্তিৰ সমাজ জীৱনলৈ আশানুৰূপ অৰিহণা নিতান্তই প্ৰয়োজন। তেওঁ লগতে জীৱন সংগ্ৰামৰ সৈতে হাৰ নমনা দিব্য অংগৰ অধিকাৰী প্ৰতিগৰাকী ব্যক্তিয়ে আজি সমগ্ৰ বিশ্বৰে মানৱ সম্পদ বুলিও উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিবাংগসকলৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা ১৬টা বিশেষ পদক্ষেপৰ কথা ঘোষণা কৰিব। সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰী আৰু বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি, বিশেষজ্ঞ আৰু বিভিন্ন ক্ষেত্ৰৰ হিতাধিকাৰীক একত্ৰিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে।

কটন বিশ্ববিদ্যালয়ৰ বিশেষভাৱে সক্ষম মঞ্চই আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে এটা সজাগতামূলক পদযাত্ৰা উলিয়ায়। ৰাজ্যৰ অন্যান্য জিলাতো এই দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে দিব্যাংগসকলৰ সৰ্বাত্মক বিকাশ আৰু কল্যাণৰ লক্ষ্যৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দিব্যাংগ দিৱস উপলক্ষে দিয়া বাৰ্তাত প্ৰতিগৰাকী দিব্যাংগ লোকক বৃহত্তৰ সমাজৰ অংশ হিচাপে সামৰি লৈ তেওঁলোকৰ সম উন্নয়ন নিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০০

কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। কামৰূপী লোকগীতক নিজৰ অনন্য গায়ন শৈলীৰে দেশজুৰি জনপ্ৰিয় কৰা শিল্পীগৰাকীৰ গীতসমূহ আজিও শ্ৰোতাৰ বাবে সমানে প্ৰিয় হৈ আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ পূণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ জগতখনক কামৰূপী লোকগীতে বিশেষভাৱে সমৃদ্ধ কৰিছে। আজি লোকসংগীতৰ বৰেণ্য সাধকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰি নতুন প্ৰজন্মই তেওঁৰ গীতৰ চৰ্চা  অব্যাহত ৰাখি বিশ্বত এই গীতসমূহক জনপ্ৰিয় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতিৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। মনোজ ধানৱাৰৰ নেতৃত্বত এই সমিতিখনত ঋষিৰাজ কৌণ্ডিন্যক নতুন উপ-সভাপতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। সমিতিখনত ৮ গৰাকী সাংগঠনিক আৰু ১৩ গৰাকী যুটীয়া সাংগঠনিক সচিবক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে  দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

সমাপ্ত